# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 23-10-2024

**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::**

১। ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনত আজি চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বিপাক্ষিক আলোচনা।

২। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা বৃদ্ধি।

৩। যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কাম শীঘ্ৰেই সম্পূৰ্ণ হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। চতুৰ্থবৰ্গৰ বাছনি পৰীক্ষাৰ প্ৰস্তুতিৰ সন্দৰ্ভত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰে ৰাজ্যৰ মুখ্য সচিবৰ বৈঠক।

***আৰু***

৫। এচিচি পুৰুষ টি টুৱেণ্টি ইমাজিং আজি সন্ধিয়া ভাৰত এ দলটোৱে অ'মানৰ মুখামুখি।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সুযোগতে চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত তহল ব্যৱস্থাপনা সন্দৰ্ভত দুয়োখন দেশ এখন চুক্তিত উপনীত হোৱাৰ পৰিপ্ৰেক্ষিতত এই বৈঠক বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী মোদী আৰু চীনৰ ৰাষ্ট্ৰপতিৰ মাজত বিগত ২২ বছৰত এয়া প্ৰথমখন সুপৰিকল্পিত বৈঠক হ'ব। ইয়াৰ পূৰ্বে দুয়োগৰাকী নেতা ২০২৩ বৰ্ষত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ আপাহতে বৈঠকত মিলিত হৈছে আৰু বৈঠকত শ্ৰীমোদীয়ে ভাৰত-চীন সীমান্ত এলেকাৰ পশ্চিম খণ্ডৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ অমীমাংসিত বিষয়সমূহক লৈ উদ্বেগ প্ৰকাশ কৰিছিল। শ্ৰীমোদীয়ে ব্ৰিকছ্ শীৰ্ষ সন্মিলনক সম্বোধন কৰিব। শ্ৰীমোদীয়ে কালি ৰাছিয়া আৰু ইৰাণৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। বৈঠকত শ্ৰীমোদীয়ে দেশ দুখনৰ বিষয়সমূহ শান্তিপূৰ্ণ পন্থাৰে সমাধানৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। শ্ৰীপুটিনৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাছিয়া-ইউক্ৰেইনৰ মাজৰ সংঘাতৰ শান্তিপূৰ্ণ সমাধানত সহায় কৰিবলৈ ভাৰত সাজু। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে ইউক্ৰেইনৰ নেতৃবৰ্গৰ সৈতে হোৱা বৈঠকৰ বিষয়ে পুটিনক অৱগত কৰে আৰু ভাৰত অঞ্চলটোৰ শান্তি ঘূৰাই অনাৰ বাবে অৱদান আগবঢ়াবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে ইৰাণৰ ৰাষ্ট্ৰপতি মছুদ পেজেশ্বকিয়নক সাক্ষাৎ কৰে আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিক লৈ আলোচনা কৰে। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কয় যে বৈঠকত শ্ৰীমোদীয়ে বৰ্ধিত উত্তেজনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু অসামৰিক লোকসকলৰ সুৰক্ষাৰ আৱশ্যকতা সন্দৰ্ভত ভাৰতৰ দৃষ্টিভংগীৰ কথা দোহাৰে। তেওঁ লগতে উত্তেজনা হ্ৰাস কৰাৰ বাবে আলোচনা আৰু কূটনৈতিক পন্থাৰ আৱশ্যকৰা বিষয়ে গুৰুত্ব আৰোপ কৰে। শ্ৰীমিশ্ৰীয়ে কয় যে দুয়োগৰাকী নেতাই আফগানিস্তানৰ বিষয়েও আলোচনা কৰে আৰু দেশখনৰ জনসাধাৰণলৈ মানৱীয় সাহায্য অব্যাহত ৰখাৰ লগতে অঞ্চলটোত শান্তি, সুস্থিৰতা বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰে।

শ্ৰীমোদীয়ে লগতে ইৰাণৰ সৈতে থকা প্ৰাচীন দ্বিপাক্ষিক সম্পৰ্কক গভীৰ কৰি তুলিবলৈ ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে প্ৰকাশ কৰে। বিদেশ সচিবগৰাকীয়ে লগতে কয় যে দুয়োগৰাকী নেতাই ছাবাহাৰ বন্দৰ আৰু আন্তঃৰাষ্ট্ৰীয় উত্তৰ-দক্ষিণ পৰিবহন কৰিড'ৰকে ধৰি সহযোগিতাৰ বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰ সম্পৰ্কে আলোচনা কৰে। বিগত সময়ছোৱাত ব্ৰিকছ্ সন্মিলনে আন্তঃৰাষ্ট্ৰীয় মঞ্চত গ্ৰহণ কৰা ভূমিকাৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰী শ্ৰীমোডীয়ে এইদৰে কয়-

**-ভইচ কাষ্ট-**

০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া কালিৰ পৰা আৰম্ভ হৈছে। বিহালী সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টি প্ৰক্ষেপিত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিল কৰিব। মনোনয়ন পত্ৰ দাখিলৰ সময়ত শ্ৰীঘাটোৱাৰক মন্ত্ৰী পিযুষ হাজৰিকা, ভবেশ কলিতা, সাংসদ ৰঞ্জিত দত্ত, বিধায়ক দিগন্ত কলিতা আদিয়ে সংগ দিব। ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে কাইলৈ আৰু চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই

পৰিহিলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। এই সন্দৰ্ভত আকাশবাণীৰ শ্ৰোতাসকলক অধিক জনাইছে নগাঁৱৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই-

**ভইচ কাষ্ট (মুনীন্দ্ৰ শইকীয়া)**

ইপিনে, কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থই কালি কাছাৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। বঙাইগাঁও জিলাত উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। প্ৰতিটো দলে নিজৰ সমৰ্থিত প্ৰাৰ্থীক জয়ী কৰোৱাৰ বাবে গাঁৱে-ভূঞে প্ৰচাৰ সভা পাতি অভিযান অব্যাহত ৰাখিছে। ইপিনে, বিৰোধী সন্মিলিত মৰ্চাই বিহালী সমষ্টিটোলৈ এই পৰ্যন্ত সহমতত উপনীত হ'ব পৰা নাই। সমষ্টিটোত চি পি আই এম এলৰ প্ৰাৰ্থীগৰাকীক কংগ্ৰেছে সমৰ্থন নকৰাৰ বাবে সন্মিলিত মৰ্চাৰ ভিতৰ চ'ৰাত অচলাৱস্থাৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত কালি সন্মিলিত মৰ্চাৰ শীৰ্ষ নেতৃত্ব কেইবালানি বৈঠকত মিলিত হয়। সেই অনুসৰি আজি পুৱা ১০ বজাৰ ভিতৰত বিহালী সমষ্টিৰ প্ৰাৰ্থী ঘোষণা হ'ব বুলি সন্মিলিত মৰ্চাই বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰে।

০০০

যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ নিৰ্মাণ কাৰ্য চলি থকা ফ'ৰলেন পথচোৱাৰ কাম ক্ষিপ্ৰ কৰা হ'ব বুলি কালি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাজ্যৰ পথ প্ৰকল্পসমূহৰ অগ্ৰগতি সন্দৰ্ভত হোৱা আলোচনাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও অংশ লয়। বৈঠকত শ্ৰীগাডকাৰীয়ে অসমৰ এহেজাৰ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যক সামৰি ৫৭টা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। আলোচনাত স্থায়ীত্ব আৰু মিতব্যয়িতা সুনিশ্চিত কৰি যাতায়ত আন্তঃগাঁথনিৰ কাম-কাজ ত্বৰান্বিত কৰাৰ বিষয়টোৱে আগস্থান লাভ কৰে। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীগাডকাৰীয়ে অসমত চলি থকা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পসমূহৰ নিৰ্মাণ কাৰ্য খৰটকীয়া কৰাৰ বাবে বিভাগীয় শীৰ্ষ বিষয়াক নিৰ্দেশ প্ৰদান কৰে।

ইপিনে, কালিৰ বৈঠকতে মুখ্যমন্ত্ৰী শৰ্মাই কাজিৰঙা উড়ন কৰিডৰ, ব্ৰহ্মপুত্ৰ তলেৰে নিৰ্মাণ হ'বলগীয়া গহপুৰ-নুমলীগড় সুৰংগ পথৰ প্ৰকল্প, বাইহাটা চাৰিআলি-তেজপুৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ ফ'ৰলেনলৈ উন্নীতকৰণৰ বিষয়টো উত্থাপন কৰে। এই সন্দৰ্ভত আগন্তুক দুই তিনিমাহৰ ভিতৰত কেন্দ্ৰীয় কেবিনেটত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীগাডকাৰীয়ে আশ্বাস প্ৰকাশ কৰে।

০০০

মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলা অতিৰিক্ত আয়ুক্তই সমাগত পঞ্চায়ত নিৰ্বাচন ২০২৪ৰ লগত সংগতি ৰাখি জিলাখনৰ মুঠ ২০খন গাঁও পঞ্চায়তৰ ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰে। জিলাখনৰ ১ লাখ ৩২ হাজাৰ ৯৪৭গৰাকী ভোটদাতাই মুঠ ২০১টা ভোটগ্ৰহণ কেন্দ্ৰত নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ভোটদাতাসকলে পঞ্চায়তৰ ভোটাৰ তালিকাত নিজৰ নাম https://ermssec.assam.gov.in পোৰ্টেলত চাব পাৰিব।

ইফালে, ধুবুৰীৰ বিলাসীপাৰা সমজিলা প্ৰশাসনেও সমাগত পঞ্চায়ত নিৰ্বাচন উপলক্ষে ভোটদাতাৰ তালিকা প্ৰকাশ কৰে। ২০২৩ চনত প্ৰকাশ পোৱা ভোটদাতাৰ তালিকাৰ সৈতে নতুন ভোটদাতা সংযোজন আৰু পুৰণি ভোটদাতাৰ কিছু কৰ্তন কৰি ভোটদাতাৰ তালিকা প্ৰস্তুত কৰা হৈছে। এই তালিকা মতে পঞ্চায়ত নিৰ্বাচনত মুঠ ৩ লাখ ৪ হাজাৰ ১৩৪ গৰাকী ভোটদাতাই ৪৪৩টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰিব।

০০০

ৰাজ্যিক পৰিষদৰ অধীনত ২৭ অক্টোবৰত হ'বলগীয়া চতুৰ্থবৰ্গ বাছনি পৰীক্ষাৰ সন্দৰ্ভত কালি ৰাজ্যৰ মুখ্য সচিবৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষক সকলৰ সৈতে মুখ্য সচিবগৰাকীয়ে ভিডিঅ' কনফাৰেন্সিঙৰ যোগেদি প্ৰস্তুতিৰ বুজ লয়। পৰীক্ষাত অনিয়ম ৰোধৰ বাবে অসম ৰাজহুৱা পৰীক্ষা আইনখন কঠোৰভাৱে কাৰ্যকৰী কৰাৰ ব্যৱস্থা ল'বলৈ মুখ্য সচিবগৰাকীয়ে নিৰ্দেশ দিয়ে। ৰাজ্যৰ মুখ্য সচিবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ জৰিয়তে পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰৰ ভিতৰত পৰীক্ষাৰ্থী আৰু বিষয়াবৰ্গৰ বাবে আন কোনো লোকৰ যাতে প্ৰৱেশ ঘটিব নোৱাৰে তাৰ বাবে জিলা আয়ুক্তসকলক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। উল্লেখ্য যে ২৭ অক্টোবৰত ৫হাজাৰ চতুৰ্থবৰ্গৰ পদৰ বাবে মুঠ ৮ লাখ ২৭ হাজাৰ ১৩০ গৰাকী প্ৰাৰ্থীয়ে বাছনি পৰীক্ষাত অৱতীৰ্ণ হ'ব।

০০০

অসম বিধানসভাৰ অধ্যক্ষৰ দ্বাৰা গঠিত কমিটী অন লোকেল ফাণ্ড একাউণ্টছ - চি এল এফ এৰ ছজনীয়া বিধায়কৰ দল এটাই কালি গোৱালপাৰা জিলাত উপস্থিত হৈ নগৰ আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক আঁচনি পৰিদৰ্শন কৰে। দলটোৱে প্ৰথমে দুধনৈ আৰৱৰ্ত্ত ভৱনত সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ বিষয়ে আলোচনা কৰাৰ লগতে এই সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বিধায়কৰ দলটোৱে উন্নয়নমূলক আঁচনিৰ ক্ষেত্ৰত পোৱা ত্ৰুটিসমূহ দূৰ কৰিবলৈ বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়।

০০০

দুধনৈত থকা ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ সচিবালয় প্ৰাঙ্গনত কালি এক অনুদান বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ জৰিয়তে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ উপস্থিতিত ৭ নম্বৰ দক্ষিণ দুধনৈ

পৰিষদীয় সমষ্টিৰ এহেজাৰ ৫৯৪গৰাকী হিতাধিকাৰীক অনুদান হিচাপে চাইকেল, সূতা, কম্বল, টিনপাত, থলুৱা বাদ্য আদি বিভিন্ন সামগ্ৰী বিতৰণ কৰা হয়।

০০০

অসম দক্ষতা বিশ্ববিদ্যালয়ক বিশ্ববিদ্যালয় অনুদান আয়োগে স্বীকৃতি প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যম যোগে এই কথা জানিবলৈ দিয়ে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ৰাজ্যৰ যুৱশক্তিৰ দক্ষতা বিকাশ অৰ্থে অসম দক্ষতা বিশ্ববিদ্যালয়ে নিত্য নতুন কৌশল অৱলম্বন কৰিছে। ৰাজ্যৰ যুৱক-যুৱতীসকলক কাৰিকৰী শিক্ষা বা দক্ষতা বিকাশৰ দিশত ভূমিকা গ্ৰহণ কৰাৰ লগতে ইউ জি চিৰ স্বীকৃতিয়ে বিশ্ববিদ্যালয়খনৰ পাঠ্যক্ৰমৰ বিশ্বাসযোগ্যতা বৃদ্ধি কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০

এ চি চি পুৰুষৰ টি-২০ ইমাৰ্জিং এছিয়া কাপত আজি সন্ধিয়া ভাৰত এ দলটোৱে ঘৰুৱা দল অ'মানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অল আমেৰাট ক্ৰিকেট গ্ৰাউণ্ডত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত এই পৰ্যন্ত আটাইকেইখন খেলতে জয়ী হোৱা তিলক বাৰ্মা নেতৃত্বাধীন ভাৰতীয় এ দলে ইতিমধ্যে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০

গোলাঘাটৰ মেলামৰা নিবাসী খগেশ্বৰী শইকীয়াৰ যোৱা নিশা নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। তেওঁ খুমটাই বিধানসভা সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াৰ মাতৃ।

০০০

অসমৰ পথ আন্তঃগাঁথনিক লৈ কালি নতুন দিল্লীত কেন্দ্ৰীয় ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। এই বাতৰিটো দৈনিক অসম কাকতে যোৰহাট-ডিব্ৰুগড় পথত নৰক যন্ত্ৰণা শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক দি আছাম ট্ৰিবিউন আৰু দ্য ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আলফা স্বাধীনৰ শীৰ্ষ নেতা আইছেং অসমৰ নিৰ্দেশত তথা অ' এন জি চিৰ সহকাৰী অভিযন্তা তাহিৰুল হুছেইনৰ সহযোগত ৬ অক্টোবৰত নিগমৰ তিনিজন বিষয়াক অপহৰণৰ বাবে শিৱসাগৰলৈ অহা আলফা স্বাধীনৰ চাৰিজনীয়া দলটোত আছিল দুজনকৈ নগা বিদ্ৰোহী সংগঠন এন এছ চি এনৰ সদস্য। দৈনিক জনমভূমিৰ অনুসন্ধানত ভয়ংকৰ তথ্য উন্মোচন শিৰোনামেৰে এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰায় এটা সপ্তাহ পূৰ্বে অসমসহ দেশৰ পৰা দক্ষিণ-পশ্চিম মৌচুমী বায়ুৱে বিদায় লোৱাৰ পাছত হোৱা তাৰ পাৰ্শ্বক্ৰিয়া আৰু বংগোপসাগৰত সৃষ্টি হোৱা নিম্নচাপৰ ফলত হঠাতে বতৰৰ কেতবোৰ পৰিৱৰ্তন আহিছে। এই পৰিৱৰ্তনৰ ফলত পশ্চিম বংগৰ পৰা ওড়িশালৈ বংগোপসাগৰৰ সাগৰীয় উপকূলত সৃষ্টি হৈছে ডানা নামৰ সামুদ্ৰিক ধুমুহাৰ। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

বিদ্যালয়ৰ শৈক্ষিক দিনপঞ্জীক লৈ পুনৰ যুযুধা ৰূপত থিয় দিয়া শিক্ষক-শিক্ষয়িত্ৰীৰ দাবীক পুনৰবাৰ নস্যাৎ কৰিলে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। শিক্ষকক অতিৰিক্ত বোজা দিয়াৰ প্ৰশ্নই নুঠে, পুনৰীক্ষণ কৰা হ'ব শৈক্ষিক দিনপঞ্জী -শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অসম চৰকাৰৰ আৰক্ষীয়ে অপৰাধীৰ বিৰুদ্ধে অভিযান চলাওতে সংঘটিত কৰা এনকাউণ্টাৰ বিষয়টোত এটা গোচৰ বিচাৰাধীন হৈ আছে উচ্চতম ন্যায়ালয়ৰ। মঙলবাৰে ন্যায়ালয়ে এই গোচৰৰ শুনানি গ্ৰহণৰ পাছত পৰৱৰ্তী ২৬ নৱেম্বৰলৈ শুনানি পিছুৱাই দিছে। আমাৰ অসম কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক অসমীয়া প্ৰতিদিন কাকতে ১৭১টা এনকাউণ্টাৰৰ বিস্তাৰিত তথ্য দাখিলৰ নিৰ্দেশ অসম চৰকাৰৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

০০০

সমাপ্ত